Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নৱম শ্ৰেণীৰ বাবে

প্ৰথম ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ-১০

পোহৰৰ বাটেৰে আগবঢ়া গাঁওখন



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

অংশ - ২

প্ৰণীতা শৰ্মা বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোরে পঢ়ো সকলোরে আগবাঢ়ো

শ্যাম সুন্দৰ পালিৱালে জানিছিল যে প্ৰকৃতিক ৰক্ষা কৰিবলৈ হ'লে কেৱল গছপুলি ৰোপণ কৰিলেই নহ'ব, সেইবোৰ প্ৰতিপালনো কৰিব লাগিব আৰু পানী সংৰক্ষণত গুৰুত্ব দিবই লাগিব। কাৰণ গছে এডোখৰ শুকান ঠাইক পুনৰ সেউজীয়া কৰাৰ লগতে ইয়াক সাৰুৱা কৰি তোলে আৰু ভূগর্ভৰ পানীৰ স্তৰ ওপৰলৈ অনাত সহায় কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোরে পঢ়ো সকলোরে আগবাঢ়ো

আনহাতে বৰষুণৰ পানীক সংৰক্ষণ কৰিব পাৰিলে সেইবোৰ পুনৰ ব্যৱহাৰৰ উপযোগী হোৱাৰ উপৰিও ই ভূগর্ভত পানীৰ পৰিমাণ বৃদ্ধি কৰাত সহায় কৰে। ইয়াৰ ফলত উক্ত স্থানত খেতি-পথাৰবোৰ উর্বৰা শক্তি বৃদ্ধি হয়।

আমাৰ দেশৰ বিভিন্ন ৰাজ্যত এতিয়াও কন্যা সন্তানৰ প্রতি বৈষম্যৰ ভাব পোষণ কৰা হয়। বহুতে কন্যা সন্তানক পেলাই দিবলৈ বিচাৰে বা গর্ভতে হত্যা কৰিবলৈ বিচাৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভ্ৰূণ-হত্যা অতিশয় গুৰুতৰ অপৰাধ যদিও বহুতে গোপনে গৰ্ভস্থ সন্তানৰ লিংগ পৰীক্ষা কৰাই ছোৱালী সন্তান বুলি জানিলে গৰ্ভপাত কৰায়। ইয়াৰ ফলত দেশৰ কিছুমান ৰাজ্যত ল'ৰা আৰু ছোৱালীৰ অনুপাতৰ অনাকাংক্ষিতভাৱে তাৰতম্য ঘটিছে। কিন্তু পিপলান্ত্রি গাঁৱৰ মুখিয়াল শ্যাম সুন্দৰ পালিৱালে কন্যা সন্তানৰ প্ৰতি গাঁওখনৰ লোকসকলৰ মনোভাৱ সলনি কৰে। তেওঁৰ আহ্বানত গাঁৱত ছোৱালী সন্তান জন্ম হোৱাৰ লগে লগে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ছোৱালী জন্ম হ'লে দুখ কৰাৰ সলনি আনন্দ-উল্লাস কৰা হয় আৰু সেই ছোৱালীজনীৰ নামত ১১১-টা গছপুলি ৰোপণ কৰা হয়। তেওঁ নিয়ম কৰি দিছিল-গাঁৱৰ কোনো লোকে কন্যা ভ্ৰূণ হত্যা কৰিব নোৱাৰিব। দ্বিতীয়তে, ছোৱালীজনীক যেনেদৰে আলফুলে তুলি-তালি ডাঙৰ কৰা হ'ব, সেই একেই মৰম-চেনেহ আৰু যত্নৰে ১১১-টা গছপুলিকো প্ৰতিপালন কৰিব লাগিব। তৃতীয়তে, কোনো ছোৱালীকে শিক্ষাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

চতুৰ্থতে, কোনো পৰিস্থিতিতে ছোৱালীৰ বাল্যবিবাহ সম্পন্ন কৰিব নোৱাৰিব। পঞ্চমতে, ছোৱালীৰ নামত বেংকত থোৱা ৩১,০০০ টকা ছোৱালীৰ পঢ়া বা বিয়াৰ কামতহে খৰচ কৰিব পাৰিব। শেষত, ছোৱালীৰ জন্মৰ সময়ত ৰোৱা গছপুলিবোৰ গাঁৱৰ সম্পত্তি হ'ব। এখন ষ্টাম্প পেপাৰত এই নিয়মৰ চুক্তিত স্বাক্ষৰ কৰি প্ৰতিশ্ৰুতি দিবলগীয়া হয় গাঁৱৰ ৰাইজে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পিপলান্ত্রি গাঁৱত এতিয়া ৮০০০-ৰো অধিক লোক আছে। প্রতি বছৰে গাঁৱত এশৰো অধিক সন্তান জন্ম হয় আৰু ইয়াৰ আধাই হৈছে কন্যা সন্তান। যেতিয়া কন্যা সন্তান এটি জন্ম হয়, তেতিয়া গাঁৱৰ ৰাইজে ২১,০০০ টকা তোলে আৰু সন্তানৰ পিতৃ-মাতৃৰ পৰা ১০,০০০ টকা লোৱা হয়। মুঠ ৩১,০০০ টকা উক্ত কন্যা সন্তানটিৰ নামত বেংকত 'ফিক্সড ডিপ'জিট' কৰি ৰখা হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এই ধনখিনি পিতৃ-মাতৃয়ে কোনো কাৰণতে আগতীয়াকৈ বেংকৰ পৰা উলিয়াব নোৱাৰিব। পঢ়া-শুনা কৰি ছোৱালীয়ে যেতিয়া বিয়াৰ উপযুক্ত বয়সত উপনীত হ'ব, তেতিয়াহে এই ধন বেংকৰ পৰা উলিয়াব পাৰিব। ফিক্সড ডিপ'জিট হিচাপে ৰখা সেই ধনখিনি তেতিয়া লাখৰো অধিক হ'বগৈ। ছোৱালীৰ বাহিৰে সেই ধনখিনি যাতে বেলেগত খৰচ কৰা নহয়, তাৰো নিয়ম কৰা হৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোরে পঢ়ো সকলোরে আগবাঢ়ো

আনহাতে, ছোৱালীজনীৰ জন্মৰ সময়ত ৰোৱা গছপুলিটোও এজোপা পূৰ্ণাংগ গছলৈ ৰূপান্তৰিত হয় আৰু ১১১- জোপা গছৰ মূল্যও ১ কোটি ১১ লাখ টকা হয়। কাৰণ এই গছবোৰ অতি মূল্যৱান প্ৰজাতিৰ। কিন্তু গছে দিয়া অক্সিজেন তাতোকৈও অধিক মূল্যৱান। গতিকে প্ৰতিটো গছপুলিক এজোপা পূৰ্ণাংগ গছলৈ ৰূপান্তৰিত কৰাৰ দায়িত্ব গাঁৱৰ প্ৰতিজন লোকেই পালন কৰি আহিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ৰাখী-বন্ধনৰ দিনা গাঁৱৰ ছোৱালী আৰু মহিলাসকলে গছত ৰছী বান্ধে আৰু ইয়াৰ দ্বাৰা গছ আৰু মানুহৰ মাজৰ সম্পৰ্ক আৰু অধিক গভীৰ হৈ পৰে। ২০০৫ চনৰ পৰা যেতিয়া পিপলান্ত্রি গাঁৱৰ মানুহে কন্যা সন্তান জন্ম হ'লে ১১১-টা মূল্যৱান প্ৰজাতিৰ গছপুলি ৰোপণ কৰা কাম আৰম্ভ কৰিলে, তেতিয়াৰে পৰাই গাঁৱৰ সুদিন আৰম্ভ হ'ল। লাহে লাহে গাঁওখন সেউজীয়া হ'বলৈ আৰম্ভ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গছ-গছনিৰ সংখ্যা বৃদ্ধি পোৱাত পুনৰ চৰাই-চিৰিকটি, জীৱ-জন্তুৰ আগমন ঘটিল। প্ৰদূষিত বতাহৰ সলনি মুক্ত আৰু বিশুদ্ধ বায়ু বলিবলৈ ল'লে। অধিক গৰমৰ প্ৰকোপ কমিল আৰু সময় মতে বৰষুণ আহিবলৈ লোৱাত ভূ-গৰ্ভৰ পানীৰ স্তৰ ওপৰলৈ উঠিল। পুখুৰী-জলাশয়ত পানী ভৰি পৰিল। খেতি-বাতিৰ বাবেও পৰ্যাপ্ত পৰিমাণৰ পানী লাভ কৰিবলৈ সক্ষম হ'ল গাঁৱৰ ৰাইজে। লাহে লাহে গাঁৱলৈ সুখ-সমৃদ্ধি ঘূৰি আহিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এতিয়া পিপলান্ত্রি গাঁৱত থকা বিভিন্ন প্রজাতিৰ চৰাই চাবলৈকে প্রতিবছৰে বিভিন্ন ঠাইৰ পৰা মানুহ আহে। কাষত চলি থকা প্রকৃতি ধ্বংসকাৰী অবৈধ খনিবোৰ বন্ধ কৰি দিয়ে চৰকাৰে। পিপলান্ত্রি গাঁৱক চাবলৈ বিদেশৰ পৰাও যেতিয়া মানুহ আহিবলৈ ধৰিলে, বিশেষকৈ গৱেষকৰ দল, তথ্য-চিত্র নির্মাণকাৰী দল, চিনেমা নির্মাণকাৰী দল আহিবলৈ আৰম্ভ কৰিলে, তেতিয়া ৰাজস্থান চৰকাৰে গাঁওখনৰ ৰাস্তাবোৰ পকী কৰি দিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

চৰকাৰৰ তৰফৰ পৰা বিদ্যালয় স্থাপনৰ ব্যৱস্থা কৰি দিয়াৰ লগতে গাঁও পঞ্চায়তৰ কার্যালয় স্থাপন কৰি দিয়ে, অংগনবাড়ী কার্যালয়, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰি দিয়াৰ লগতে বিভিন্ন চৰকাৰী আঁচনিবোৰৰ সুবিধাও কৰি দিয়ে। গাঁৱৰ ৰাইজৰ যি যি সমস্যা আছে, সেইবোৰ লৈ তেওঁলোক চৰকাৰৰ ওচৰলৈ যোৱা নাই, চৰকাৰৰ লোকে নিজেই আহি যি যি সমস্যা আছে, সেইবোৰৰ বুজ লৈ সমাধান কৰি দিছে। ৰাজস্থান চৰকাৰৰ প্রতিখন জনকল্যাণসমূলক আঁচনিৰ সফল ৰূপায়ণ হৈছে পিপলান্ত্রি গাঁৱত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

খ্ৰীষ্টীয় ২০০৭ চনত তেতিয়াৰ ৰাষ্ট্ৰপতি ডঃ এ পি জে আব্দুল কালামে পিপলান্তি গাঁৱলৈ ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ আগবঢ়ায়। চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ণ কৰা বাবেই পিপলান্ত্রি গাঁৱে ৰাজস্থান চৰকাৰৰ পৰা বিভিন্ন পুৰস্কাৰ লাভ কৰিছে। ভাৰত চৰকাৰে ২০১৫ চনত আৰম্ভ কৰা 'স্বচ্ছ ভাৰত অভিযান'ৰ বহু আগেয়েই পিপলান্ত্রি গাঁৱত সম্পূৰ্ণ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ কাম চলিছিল। মুকলি স্থানত কোনোৱে শৌচ-প্ৰস্ৰাৱ নকৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বাহিৰৰ পৰা অহা লোকে গাঁওখনৰ কোনো ঠাই লেতেৰা কৰিব নোৱাৰে। দেশৰ এনে এখন বাতৰি কাকত নাই, সংবাদ মাধ্যম নাই, যিয়ে পিপলান্ত্রি গাঁৱৰ বিষয়ে লিখা নাই বা প্ৰচাৰ কৰা নাই। ইউটিউব, ফেচবুক, টুইটাৰ আদি সামাজিক মাধ্যমতো পিপালান্ত্রি গাঁৱৰ বিষয়ে যথেষ্ট তথ্য প্ৰকাশ পাইছে। গাঁওখনৰ বিধৱা, শাৰীৰিকভাৱে বাধাগ্ৰস্ত লোকেও গছক ৰক্ষণাবেক্ষণ কৰাৰ কামত নিজকে নিয়োজিত ৰাখিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বৰ্তমান গাঁওখনৰ কোনোবা লোক ঢুকালে তেওঁৰ স্মৃতিতো ১১-টা গছপুলি ৰোপণ কৰা হয়। ইউনিয়ন বেংক অব ইণ্ডিয়াই গাঁওখনৰ তিনিশ ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ বাবে ৬০ লাখ টকা আগবঢ়ায়।

আমাৰ বহুতেই প্ৰায়ে অভিযোগ আনে যে চৰকাৰ-প্ৰশাসন আদিয়ে আমাক একো নিদিয়ে। খেতি কৰিবলৈ পানীৰ অভাৱ। কিন্তু আমি কেবল অভিযোগ কৰি হাত সাবটি থাকিলেই হ'বনে? আমাৰ চকুৰ আগতেই একাংশ লোকে বাৰটা মাহত তেৰটা খেতি কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ফলত তেওঁলোকে নিজে খোৱাৰ উপৰিও উৎপাদিত সামগ্ৰী বিক্ৰী কৰি ধন আৰ্জে। অথচ আমাৰ সৰহভাগ লোকেই চৰকাৰ বা প্ৰশাসনৰ মুখলৈ চাই, কাম-বন নকৰি আৰামত জীৱন কটাব বিচাৰে। পানী নাই বুলি কোৱাতকৈ বৰষুণৰ পানী সংৰক্ষণ কৰি তাক পুনৰ ব্যৱহাৰৰ বাবে প্ৰচেষ্টা ল'লে বা গছপুলি ৰোপণ কৰি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰিলে সময় মতে বৰষুণ হোৱাৰ লগতে মাটিৰ উৰ্বৰা শক্তিও বৃদ্ধি পায়। লগতে বৰ্তমান হোৱা পৰিৱেশ প্ৰদূষণো ৰোধ হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গতিকে, শ্যাম সুন্দৰ পালিৱাল আৰু পিপলান্ত্রি গাঁৱৰ লোকে দেশৰ প্রতিগৰাকী নাগৰিকলৈ আহ্বান জনাইছে যে গছপুলি ৰোপণ কৰক, প্রতিপালন কৰক, কাম-কাজ কৰক, তেতিয়া নিজে বাস কৰা স্থানেই হৈ পৰিব স্বর্গসদৃশ। এতিয়া ৰাজস্থানৰ আন আন ঠাইতো পিপলান্ত্রি গাঁৱৰ আর্হি গ্রহণ কৰা হৈছে। আমাৰ ৰাজ্যতো যদি এই গাঁওখনৰ আর্হি গ্রহণ কৰা হয়, তেতিয়া প্রকৃতি ৰক্ষণাবেক্ষণৰ লগতে প্রতিখন গাঁৱেই সমৃদ্ধিশালী হৈ উঠিব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শব্দার্থ আৰু টোকা

অক্লান্ত : ভাগৰ নলগাকৈ থকা; ক্লান্ত নোহোৱা।

অনায়াসে : সহজে।

আৰ্হি : যাক চাই আন বস্তু বা কার্য সম্পাদন কৰা হয়; চানেকি।

আলফুল : অতি কোমল; ঢিলা; আলসুৱা।

উর্ব্বৰা : সাৰুৱা বা সাৰ থকা; শস্য বেছিকৈ হোৱা (মাটি)।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কোঙা : বাঢ়িব, লৰচৰ কৰিব বা উদ্‌গতি কৰিব নোৱৰা।

জলাশয় : নৈ, বিল, পুখুৰী, হ্রদ আদি পানী থকা ঠাই; জলাধাৰ।

তথ্যচিত্র : ৰেডিঅ', টেলিভিছন আদিত প্রচাৰৰ কাৰণে দিয়া কোনো বিষয়ৰ বিস্তৃত বর্ণনা থকা আলেখ্য।

প্রতিশ্রুতি : অংগীকাৰ।

ভূ-গর্ভ : পৃথিৱীৰ ভিতৰভাগ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভ্রূণ : গর্ভত থকা সন্তান।

মচ্ : কোনো বস্তু মোহাৰি গুচা।

ৰক্ষণা-বেক্ষণ : মনোযোগেৰে ৰক্ষা কৰা কার্য।

সাৱোগত কৰা : অতি মূল্যৱান ৰূপে গ্রাহ্য কৰা।

হ্রাস : কমি যোৱা অৱস্থা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাঠবোধ

'পিপলান্ত্রি গাঁও' পাঠটিৰ জৰিয়তে মানুহৰ মানসিক দৃঢ়তা, সুনির্দিষ্ট পৰিকল্পনা, উদ্যম, আগ্রহ আদিৰ দ্বাৰা কেনেকৈ অসম্ভৱ বুলি ভবা কাম এটাও সম্ভৱ কৰি তুলিব পাৰি তাৰ আভাস দিয়া হৈছে। যৌথ প্রচেষ্টাৰে সমাজ তথা নিজৰ নিজৰ অঞ্চলৰ সর্বাংগীন বিকাশৰ বাবে আমি সকলোৱে আগবাঢ়ি অহা উচিত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কন্যা সন্তানৰ প্ৰতি দেখুওৱা অৱহেলাৰ বিপৰীতে ল'ৰা আৰু ছোৱালী সকলো সন্তানেই পিতৃ-মাতৃৰ বাবে সমান হ'ব লাগে। সমাজৰ প্ৰতি আমি সকলোৱে সমানে দায়বদ্ধ।

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





১। বাক্য ৰচনা কৰা ঃ

ক) হাতে-কামে, নিয়ম-শৃংখলা, দিনে-নিশাই

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। তলৰ উপসৰ্গকেইটাৰে একোটাকৈ শব্দ গঠন কৰা ঃ

প্ৰতি, অধি, উপ, অৱ, দূৰ